ছাইয়্যেদুল ইস্তিগফাৰ হৈছে

শ্বাদ্দাদ বিন আউছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ছাইয়্যেদুল ইস্তিগফাৰ হৈছে, এইদৰে কোৱাঃ "আল্লাহুম্মা আনতা ৰাব্বী লা ইলাহা ইল্লা আনতা, খালাকতানী ওৱা আনা আব্দুক, ওৱা আনা আলা আহদিক, ওৱা অ'দিকা মাস্তা'ত্বতু, আউজুবিকা মিন শ্বাৰ্ৰি মা চানা'তু, আবুউ লাকা বিনি'মাতিকা আলাইয়্য়া, ৱা আবুউ লাকা বিজান্বী ফাগফিৰলী, ফা ইন্নাহু লা য়াগফিৰুজ্জুনূবা ইল্লা আনতা।" তেওঁ
কৈছেঃ "যিয়ে ইয়াৰ প্ৰতি বিশ্বাস কৰি দিনত এইটো পাঠ কৰিব, সন্ধিয়া হোৱাৰ আগতেই যদি
সি মৃত্যুবৰণ কৰে, তেন্তে সি হ'ব জান্নাতৰ অধিবাসী। আনহাতে যদি ইয়াৰ ওপৰত বিশ্বাস
কৰি ৰাতিত পাঠ কৰে তেন্তে প্ৰভাত হোৱাৰ আগতে যদি সি মৃত্যুবৰণ কৰে তেন্তে সি
জান্নাতৰ অধিবাসী।"
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, ইস্তিগফাৰৰ কেইবাটাও বাক্য আছে, তাৰে উত্তম আৰু মহান বাক্য হৈছে, এইদৰে কোৱাঃ আল্লা-হুম্মা আনতা ৰাব্বী, লা ইলা-হা ইল্লা আনতা, খালাকতানী ৱা আনা আব্দুকা, ৱা আনা আলা আহদিকা, ৱা ৱা'দিকা মাচ-তাত্বা'তু। আউজুবিকা মিন শ্বাৰ্ৰি মা চানা'তু। আবুওলাকা বিনি'মাতিকা আলাইয়্য়া, ৱা আবুও বিজান্বী, ফাগফিৰলী, ফা ইন্নাহু লা য়াগফিৰুজ জুনূবা ইল্লা আনতা। (হে আল্লাহ! তুমিয়েই মোৰ ৰব্ব। তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তুমিয়েই মোক সৃষ্টি কৰিছা, মই তোমাৰ বান্দা। মই তোমাৰ প্ৰতিশ্ৰুতিৰ ওপৰত সাধ্যানুসাৰে প্ৰতিষ্ঠিত। মই যি কৰিছোঁ তাৰ অন্যায়ৰ পৰা মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ। তুমি মোক যি নিয়ামত প্ৰদান কৰিছা তাৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ। মই মোৰ গুনাহ কবুল কৰিছোঁ। গতিকে তুমি মোক ক্ষমা কৰি দিয়া, কাৰণ নিশ্চিতভাৱে তোমাৰ বাহিৰে আন কোনেও গুনাহ ক্ষমা কৰিব নোৱাৰে।) ইয়াত বান্দাই প্ৰথমে আল্লাহৰ তাওহীদৰ স্বীকৃতি দিছে যে, আল্লাহেই তাৰ সৃষ্টিকৰ্তা, তেৱেঁই তাৰ উপাস্য, যাৰ কোনো অংশীদাৰ নাই, আৰু সি আল্লাহৰ প্ৰতি ঈমান আনিবলৈ আৰু সক্ষম অনুযায়ী তেওঁৰ আনুগত্য কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। কাৰণ বান্দা যিমানেই ইবাদতগুজাৰ নহওক কিয়, সি কেতিয়াও আল্লাহৰ যাৱতীয় আদেশ সম্পূৰ্ণৰূপে পালন কৰিবলৈ সক্ষম নহয়, আনকি নিয়ামত অনুপাতে কৃতজ্ঞতা জনোৱাৰো ক্ষমতা নাই। সেয়ে বান্দাই আল্লাহৰ আশ্ৰয় প্ৰাৰ্থনা কৰা উচিত, আৰু তেওঁৰ ৰচীক মজবুতভাৱে ধাৰণ কৰা উচিত, কাৰণ তেৱেঁই বান্দাক যাৱতীয় অনিষ্টৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম। লগতে বান্দাই এই দুআটোত নিজৰ ওপৰত থকা নিয়ামতসমূহক স্ব-ইচ্ছাই স্বীকাৰ কৰিছে, লগতে নিজৰ গুনাহসমূহো স্বীকাৰ কৰিছে তথা মানি লৈছে। আল্লাহৰ ওচৰত এই আশ্ৰয় প্ৰাৰ্থনাৰ পিছত দুআ কৰা হৈছে যে, তেওঁ যেন তাক ক্ষমা কৰি দিয়ে আৰু অন্যান্য গুনাহসমূহক পৰ্দা কৰি ৰাখে, লগতে তেওঁৰ দয়া আৰু কৰুণাৰে সেইবোৰ মাৰ্জনা কৰে। কাৰণ তেওঁৰ বাহিৰে আন কোনেও গুনাহ ক্ষমা কৰিব নোৱাৰে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, এইটো হৈছে পুৱা গধূলি পঢ়িবলগীয়া এটা দুআ। যদি কোনোবাই এই দুআটোৰ অৰ্থ অনুসৰি ঈমান পোষণ কৰি পুৱাৰ ভাগত পাঠ কৰে আৰু সন্ধিয়া হোৱাৰ আগতে যদি মৃত্যুবৰণ কৰে তেন্তে সি জান্নাতত প্ৰৱেশ কৰিব। আনহাতে যিয়ে সন্ধিয়াৰ সময়ত পাঠ কৰিব, অৰ্থাৎ সূৰ্যাস্ত যোৱাৰ পিছৰ পৰা ফজৰৰ আগলৈকে যিকোনো সময়ত, সি যদি প্ৰভাত হোৱাৰ আগতে মৃত্যুবৰণ কৰে তেন্তে সি জান্নাতত প্ৰৱেশ কৰিব।

